# REGIONAL NEWS UNIT
AKASHVANI
GUWAHATI
0000000000

**Date : 15-08-2026**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা দেশবাসীক সম্বোধন কৰে। প্ৰধানমন্ত্ৰীৰ আগমনৰ লগে লগে লালকিল্লাত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম পৰিৱেশন কৰা হয়। এই বছৰ স্বাধীনতা দিৱসত বন্দে মাতৰমৰ ডেৰশ বছৰ উদযাপনৰ লগতে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যৰ যাত্ৰাত দেশৰ যুৱ শক্তিৰ আশা-আকাংক্ষা, শক্তি তথা গুৰুত্বপূৰ্ণ অৱদানক উদযাপন কৰা হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এসময়ত ৫ খন ভংগুৰ অৰ্থনীতিৰ দেশৰ অন্যতম ভাৰত, বৰ্তমান বিশ্বৰ গুৰুত্বপূৰ্ণ আৰু দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে গঢ়ি উঠিছে।

বিভিন্ন খণ্ডত দেশে লাভ কৰা সাফল্যৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বিগত ১২ বছৰত প্ৰতিৰক্ষা সা-সঁজুলি নিৰ্মাণ প্ৰায় চাৰি গুণ, খাদী আৰু গ্ৰাম্য উদ্যোগৰ উৎপাদন প্ৰায় পাঁচ গুণ, ইলেক্ট্ৰনিক নিৰ্মাণ প্ৰায় সাত গুণ, আধুনিক ৰে'লৰে দবা নিৰ্মাণ ২১ গুণ আৰু ম'বাইল ফোনৰ নিৰ্মাণ ৩৩ গুণ বৃদ্ধি পাইছে। তেওঁ লগতে কয়, যে ইণ্টাৰনেটৰ ব্যৱহাৰকাৰীও প্ৰায় চাৰিগুণ আৰু ডিজিটেল লেনদেন ১০০ গুণ বৃদ্ধি পাইছে।

০০০০

অসমতো আজি উলহ-মালহেৰে ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। গুৱাহাটীৰ খানাপাৰাত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত পৰৱৰ্তী ৫ বছৰত আন্তঃগাঁথনি খণ্ডত ডেৰ লাখ কোটি টকাৰ বৃহৎ বিনিয়োগ কৰিব বুলি ঘোষণা কৰে। তেওঁ কয় যে অহা ৫ বছৰত ৰাজহুৱা পথ আন্তগাঁথনি উন্নীতকৰণ, চৰকাৰী বিদ্যালয়, নগৰীয়া কেন্দ্ৰ আৰু গ্ৰাম্য আন্তঃগাঁথনি উন্নীত কৰাৰ লক্ষ্য লোৱা হৈছে। বিগত দশকটোত ৰাজ্যৰ অৰ্থনীতি ৩ গুণ বৃদ্ধি হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ উদ্যোগে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰভাৱিত প্ৰতিগৰাকী লোকৰ পুনৰ সংস্থাপন আৰু জিলা চাৰিখনৰ হেৰুওৱা স্বাভাৱিক ছন্দ ওভোতাই অনাৰ বাবে চৰকাৰে চেষ্টাৰ অকণো ত্ৰুটি নকৰে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ বান প্ৰভাৱিত লোকসকলক গৃহ ঋণ,

শিক্ষা ঋণ, যানবাহন ঋণৰ কিস্তি পৰিশোধৰ ক্ষেত্ৰত ছমাহলৈ সকাহ দিয়াৰ কথাও উল্লেখ কৰে। বান ক্ষতিগ্ৰস্ত লোকসকলে এবছৰলৈ মাটিৰ খাজনা দিব নালাগে বুলি তেওঁ কয়।

ৰাজ্যত বাল্য বিবাহ সম্পৰ্কীয় ১২ হাজাৰ ১৯৪ টা গোচৰ ৰুজু হোৱা বুলি উল্লেখ কৰি ডং শৰ্মাই পহিলা নৱেম্বৰৰ পৰা এমাহৰ বাবে বাল্য বিবাহৰ বিৰুদ্ধে অসম আৰক্ষীয়ে আপোচবিহীন অভিযান চলাব বুলি জানিবলৈ দিয়ে।

বাইট-বাল্যবিবাহ

তেওঁ কমলপুৰ, বড়মপুৰ, ৰঙানদী, চিচিবৰগাঁও, খুমটাই, বৰখলা, চাবুৱা আৰু লাহোৱাল- এই ৮ খন নতুন সমজিলা গঠনৰ কথা ঘোষণা কৰে।

ৰাজ্যৰ অন্যান্য প্ৰান্ততো উছাহ-উদ্দীপনাৰে স্বাধীনতা দিৱস উদযাপন কৰা হয়। ০০০০

০০০০০

ৰাজ্যত যোৱা ২ আগষ্টৰ পৰা চলি থকা লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ স্ব-গণনা প্ৰক্ৰিয়া কাইলৈ সামৰণি পৰিব। পৰহিলৈৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। জনসাধাৰণে কাইলৈ পৰ্যন্ত SE.CENSUS.GOV.IN পৰ্টেলত নিজৰ ম'বাইল নম্বৰ ব্যৱহাৰ কৰি অটিপিৰ জৰিয়তে লগ ইন কৰিব পাৰিব। মাজনিশা পৰ্যন্ত খোলা থকা এই পৰ্টেলত অসমীয়া, ইংৰাজীকে ধৰি ১৪ টা ভাষাত নাগৰিকসকলে তথ্য পূৰণ কৰিব পাৰে। ইয়াৰ বাবে ডিজিটেল মানচিত্ৰত নিজৰ গৃহৰ অৱস্থান চিহ্নিত কৰিব পাৰিব। এই তথ্য দাখিলৰ পাছত লাভ কৰা স্ব-গণনা পৰিচয় পৰবৰ্তী সময়ত অৰ্থাৎ পৰহিলৈৰ পৰা গণনাকাৰী বিষয়াসকলক প্ৰদান কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে এইবাৰৰ লোকপিয়লৰ বাবে ৪০টা প্ৰশ্ন নিৰ্ধাৰণ কৰিছে। এই প্ৰশ্নসমূহৰ ভিতৰত অনুসূচিত জাতি, অনুসূচিত জনজাতিৰ মৰ্যাদাকে ধৰি জাতি সম্পৰ্কীয় প্ৰশ্নও অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা আছিল প্ৰায় ৩ কোটি ১২ লাখ। চৰকাৰী সূত্ৰ অনুসৰি জনসংখ্যাৰ ১ কোটি ৫৯লাখৰো অধিক পুৰুষ আৰু ১ কোটি ৫২ লাখৰো অধিক মহিলা।

০০০০০

নগাওঁ জিলাৰ চামগুৰিৰ আমলখিত আজি বিদ্যুৎপৃষ্ট হৈ দম্পত্তিৰ মৃত্যু হয়। মৃত ব্যক্তি দুগৰাকী গণেশ ৰাভা আৰু মঞ্জু ৰাভা বুলি আমাৰ সংবাদদাতাই জনাইছে। নিজৰ বাসগৃহত পানী তোলা মটৰ মেৰামতি কৰি থকাৰ সময়ত তেওঁলোক বিদ্যুৎপৃষ্ট হয়।

০০০০০

বিশ্বনাথ জিলাৰ গহপুৰৰ মাজিকুছিৰ নিৱাসী ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এগৰাকী সক্ৰিয় সংগ্ৰামী অনুৰাম বৰুৱাৰ আজি নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০৪ বছৰ। ৰাষ্ট্ৰীয় মৰ্যাদাৰে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। তেখেতৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰাৰ লগতে বিভিন্ন দল সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ আৰু পৰহিলৈ কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব। কাইলৈ দিনৰ ৪ বজাত ৰাছীৰ বীৰচা মুণ্ডা ফুটবল ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত

এছ চি দিল্লীয়ে মণিপুৰৰ এফ চি ৰেংদাইৰ বিৰুদ্ধে খেলিব। নিশা ৭ বজাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াঙ্গনত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত আই এছ এলৰ ছেম্পিয়ন ইষ্ট বেংগল এফ চি য়ে ভাৰতীয় সেনাৰ ফুটবল দলৰ বিৰুদ্ধে খেলিব।

আনহাতে পৰহিলৈ হ'বলগীয়া এখন খেলত মোহন বাগান জামছেদপুৰ এফ চিৰ মুখামুখি হোৱাৰ লগতে সেইদিনা নিশা ৭ বজাত শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি শ্বিলং লাজং এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত